# ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ অধিনিয়ম, ১৯৯৭
## ১৯৯৭ৰ সংখ্যা ২৪

[২৮ মাৰ্চ, ১৯৯৭]

**[১][দূৰ সংযোগ সেৱা বিনিয়মিত কৰিবলৈ, বিবাদৰ ন্যায় নিৰ্ণয় কৰিবলৈ, আৰু আপীল নিষ্পত্তি কৰিবলৈ আৰু দূৰ সংযোগ সেৱা উপবন্ধক আৰু উপভোক্তাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ, দূৰ সংযোগ খণ্ডৰ সুশৃঙ্খল বৃদ্ধি উন্নীত আৰু সুনিশ্চিত কৰিবলৈ, ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ আৰু দূৰ সংযোগ বিবাদ বন্দৱস্তী আৰু আপীল ন্যায়াধিকৰণৰ স্থাপনৰ বাবে আৰু তাৰ সৈতে জড়িত আৰু ইয়ালে আনুষঙ্গিক বিষয় সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।]**

ভাৰত গণৰাজ্যৰ আঠচল্লিচতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায় -I
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মক ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ অধিনিয়ম, ১৯৯৭ বুলি অভিহিত কৰিব পাৰি।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত।

(৩) এই অধিনিয়ম ১৯৯৭ চনৰ জানুৱাৰীৰ ২৫ তম দিৱসত প্ৰৱৰ্ত্তিত হোৱা বুলি গণ্য কৰা হব।

২। (১) এই অধিনিয়মত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, -

(ক) ''নিৰ্দ্ধাৰিত দিন'' মানে সেই তাৰিখ যি তাৰিখৰ পৰা ধাৰা ৩ ৰ উপধাৰা (১) ৰ অধীনত প্ৰাধিকাৰ স্থাপিত কৰা হয়;

[২][(কক) ''আপীল ন্যায়াধিকৰণ'' মানে দূৰ সংযোগ বিবাদ নিষ্পত্তিকৰণ আৰু ধাৰা ১৪ৰ অধীনত স্থাপিত আপীল ন্যায়াধিকৰণ ;]

(খ) ''প্ৰাধিকাৰ'' মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ভাৰতৰ দূৰ সংযোগ বিনিয়ামক ;

(গ) ''অধ্যক্ষ'' মানে ধাৰা ৩ৰ উপধাৰা (৩)অধীনত নিযুক্ত প্ৰাধিকাৰৰ অধ্যক্ষ ;

(ঘ) ''পুঁজি'' মানে ধাৰা ২২ৰ উপধাৰা (১)ৰ অধীনত গঠিত পুঁজি ;

(ঙ) ''অনুজ্ঞাপত্ৰধাৰী'' মানে ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ৰ ধাৰা ৪ৰ উপধাৰা ১৮৮৫ৰ
(১)ৰ অধীনত বিনিৰ্দিষ্ট সাৰ্বজনিক দূৰ সংযোগ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে অনুজ্ঞাপ্ত যি কোনো ১৩
ব্যক্তি ;

[২][(ঙক) ''অনুজ্ঞাপক'' মানে কেন্দ্ৰীয় চৰকাৰৰ বা দূৰসংযোগ প্ৰাধিকাৰী যিজনে ভাৰতৰ দূৰ সংযোগ অধিনিয়ম, ১৮৮৫ৰ ধাৰা ৪ৰ অধীনত কোনো অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰে;]

(চ) ''সদস্য'' মানে ধাৰা ৩ৰ উপধাৰা ৩ৰ অধীনত নিয়োজিত প্ৰাধিকাৰৰ এজন সদস্য আৰু অধ্যক্ষ আৰু উপাধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ছ) ''অধিসূচনা '' মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা ;

(জ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঝ) ''বিনিয়ম'' মানে এই অধিনিয়মৰ অধীনত প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলী ;

(ঞ) ''সেৱা ব্যৱস্থাপক'' মানে [৩][এজন সেৱা উপবন্ধকৰূপে চৰকাৰ] আৰু এজন অনুজ্ঞাপত্ৰধাৰীক অন্তৰ্ভুক্ত কৰে ;

(ট) ''দূৰ সংযোগ সেৱা'' মানে কোনো শ্ৰেণীৰ সেৱা (ইলেক্‌ট্ৰনিক মেইল, ভইচ মেইল, দাতা সেৱা, অডিঅ টেক্স সেৱা, ভিডিঅ টেক্স সেৱা, ৰেডিও পেকেজিং আৰু চেলুলাৰ ম'বাইল দূৰভাষ সেৱাক অন্তৰ্ভুক্ত কৰে) যিটোকোনো চিন, সঙ্কেত, লিখা, প্ৰতিবিম্ব, তাৰ শব্দৰ প্ৰেৰণ বা গ্ৰহণৰ যোগেদি কোনো প্ৰকৃতিৰ তথ্য, তাৰঁৰ দ্বাৰা ৰেডিও, ভিচুৱেল বা অন্য ইলেক্‌ট্ৰনিক্ চুম্বকৰ যোগেদি ব্যৱহাৰকাৰীসকলৰ কাৰণে সুলভযোগ্য কৰা হয়, কিন্তু সম্প্ৰচাৰণ সেৱাক অন্তৰ্ভুক্ত নকৰিব ঃ

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ ৰ ধাৰা ২ ৰ দ্বাৰা সংশোধিত কৰা হৈছে।

২। একে অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম ২০০০ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতি স্থাপিত।

[1] [পৰন্তু কেন্দ্ৰীয় চৰকাৰে এনে সম্প্ৰচাৰণ সেৱাক অন্তৰ্ভুক্ত কৰি অন্যান্য সেৱাক দূৰসংযোগ সেৱা বুলি অধিসূচিত কৰিব পাৰে ।]

(২) এই অধিনিয়মত ব্যৱহৃত আৰু পৰিভাষিত নোহোৱা কিন্তু ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ত বা ভাৰতীয় বেতাৰ টেলিগ্ৰাফী অধিনিয়ম, ১৯৩৩ত পৰিভাষিত হোৱা শব্দ আৰু অভিব্যক্তি সমূহৰ অৰ্থ ক্ৰমান্বয়ে সেই অধিনিয়মসমূহত ন্যস্ত কৰা দৰে থাকিব । ১৮৮৫ৰ ১৩ ১৯৩৩ৰ ১৭

(৩) এই অধিনিয়মত থকা জম্মু আৰু কাশ্মীৰ ৰাজ্যত বলৱৎ নথকা কোনো বিধিৰ নিৰ্দেশক, সেই ৰাজ্যৰ সম্বন্ধত, সেই ৰাজ্যত যদি থাকে কোনো তদনুৰূপ বিধিৰ নিৰ্দেশ হিচাবে অৰ্থ কৰা হব ।

## অধ্যায় -II
## ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ

**প্ৰাধিকাৰৰ স্থাপন আৰু নিগমিতকৰণ ।**

৩ । (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা দৰে এনে তাৰিখৰ পৰা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ নামেৰে প্ৰাধিকাৰ স্থাপন কৰা হব ।

(২) প্ৰাধিকাৰ উপৰোক্ত নামেৰে শাশ্বত উত্তৰাধিকাৰীতা তাৰ সাধাৰণ চীল মোহৰ থকা এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত স্থায়ী বা অস্থায়ী উভয় সম্পত্তি অৰ্জন কৰা, ধাৰণ কৰা আৰু নিষ্পত্তি কৰাৰ আৰু সংবিদা কৰাৰ ক্ষমতা থকা নিগমিত নিকায় হব আৰু উক্ত নামেৰে বাদ কৰিব বা বাদযুক্ত হ'ব ।

[2][(৩) প্ৰাধিকাৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত, এজন অধ্যক্ষ, দুজন পূৰ্ণকালীন সদস্যৰ অনধিক আৰু দুজন অংশকালীন সদস্যৰ অধিক সদস্যৰে গঠিত হ'ব ।]

(৪) প্ৰাধিকাৰৰ প্ৰধান কাৰ্য্যালয় নতুন দিল্লীত থাকিব ।

**অধ্যক্ষ আৰু অন্য সদস্যৰ নিযুক্তিৰ বাবে অৰ্হতা ।**

[3][৪ । প্ৰাধিকাৰৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক কেন্দ্ৰীয় চৰকাৰে সেই ব্যক্তিসকলৰ মাজৰ পৰা যি সকলৰ দূৰ সংযোগ উদ্যোগ, বিত্ত, হিচাব নিকাচ, বিধি পৰিচালন বা উপভোক্তাৰ কাম কাজৰ বিষয়ে বিশেষ জ্ঞান আৰু ব্যৱসায়িক অভিজ্ঞতা থাকে, নিয়োগ কৰিব ঃ

পৰন্তু কোনো ব্যক্তি যিজন চৰকাৰী সেৱাত আছে বা ৰখা হৈছে সদস্য হিচাবে নিয়োগ কৰা নহব যদিহে তেনে ব্যক্তিয়ে সচিব বা অতিৰিক্ত সচিবৰ পদবী বা ভাৰত চৰকাৰৰ অতিৰিক্ত সচিব আৰু সচিবৰ পদবী বা কেন্দ্ৰীয় চৰকাৰৰ বা ৰাজ্য চৰকাৰৰ সমপৰ্য্যায়ৰ তেনে পদ তিনি বছৰৰ কম নোহোৱা কালৰ বাবে ধাৰণ কৰা নাই ।]

**অধ্যক্ষ আৰু অন্যান্য সদস্যৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী, ইত্যাদি ।**

৫ । (১) কেনো ব্যক্তিক অধ্যক্ষ বা সদস্য হিচাপে নিয়োগ কৰাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে নিজে সন্তুষ্ট হয় যে ব্যক্তিজনক এনে সদস্য হিচাবে কৰা কাৰ্য্যাৱলীৰ প্ৰতিকূল প্ৰভাৱ পেলাব পৰাকৈ এনে কোনো বিত্তীয় বা অন্য স্বাৰ্থ নাথাকে ।

[4][(২) অধ্যক্ষ আৰু অন্য সদস্যসকলে, কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে অধিসূচিত কৰা দৰে তেওঁলোকে কাৰ্য্যালয়ত প্ৰবেশ কৰাৰ তাৰিখৰ পৰা বা তেওঁলোকৰ পয়ষষ্ঠি বছৰ নোহোৱালৈকে যিটোৱেই আগতীয়া হয়, তিনিবছৰৰ অনধিক কাল পদধাৰণ কৰিব ।

(৩) ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ প্ৰাৰম্ভত, প্ৰাধিকাৰৰ অধ্যক্ষ হিচাবে নিযুক্তি দিয়া এজন ব্যক্তি আৰু এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে সদস্য হিচাবে নিযুক্তি দিয়া আৰু পদধাৰণ কৰা প্ৰত্যেক এনে ব্যক্তিয়ে তেওঁলোকৰ নিজৰ নিজৰ পদ ৰিক্ত কৰিব আৰু এনে অধ্যক্ষ আৰু এনে অন্য সদস্যসকল তেওঁলোকৰ পদাৱধি বা সেৱাৰ কোনো সংবিদাৰ ম্যাদৰ সময়পূৰ্ব সমাপ্তিৰ বাবে তিনিমাহৰ অধিক কালৰ বেতন আৰু ভাত্তাৰ ক্ষতিপূৰণ দাবী কৰিবলৈ হক্‌দাৰ হব ।]

(৪) চৰকাৰী কৰ্মচাৰীয়ে তেওঁক [5] [অধ্যক্ষ বা পূৰ্ণকালীন সদস্য হিচাবে বাছনি] কৰাৰ সময়ত [6][অধ্যক্ষ বা যথাস্থিতি এজন পূৰ্ণকালীন সদস্য হিচাবে যোগদান কৰা] ৰ পূৰ্বে অৱসৰ লব লাগিব ।

---

১ । ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃ স্থাপিত কৰা হৈছে ।
২ । একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছে ।
৩ । একে অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছে ।
৪ । একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৫ । একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(৫) অধ্যক্ষ আৰু [১][পূৰ্ণকালীন সদস্য] সকলক আদায় দিব লগা দৰমহা আৰু অন্যান্য ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে ধৰণৰ হব ।

(৬) অধ্যক্ষ আৰু সদস্যৰ দৰমহা, ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলীৰ নিযুক্তিৰ পিচত তেওঁৰ অহিতকৰ ৰূপত পৰিবৰ্ত্তন কৰা নহব ।

[২][(৬ক) অংশকালীন সদস্য সকলে বিহিত কৰা দৰে এনে ভাত্তাবোৰ লাভ কৰিব ।]

(৭) উপধাৰা (২)ত [৩][ x x x x x ] কোনো কথা অন্তৰ্বিষ্ট থকা স্বত্বেও এজন সদস্যই-

(ক) কেন্দ্ৰীয় চৰকাৰক তিনিমাহৰ কম নোহোৱা সময়ৰ ভিতৰত লিখিত সূচনাৰ প্ৰদান কৰাৰ পিছত পদত্যাগ কৰিব পাৰিব ; বা

(খ) ধাৰা ৭ৰ উপবন্ধাৱলী অনুসৰি তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰিব ।

(৮) অধ্যক্ষ বা [৪][পূৰ্ণকালীন সদস্য]ৰ এনেদৰে পদ ধাৰণ অন্ত পৰিব -

(ক) কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্যৰ ৰাজ্য চৰকাৰৰ অধীনত পুনৰ নিযুক্তিৰ বাবে অৰ্হতা যুক্ত হয় ; বা

(খ) তেওঁ পদ ধাৰণৰ অন্ত পৰাৰ তাৰিখৰ পৰা [৫][এবছৰ] কালৰ বাবে কোনো ব্যৱসায়িক নিযুক্তি গ্ৰহণ নকৰিব ঃ

[৬][পৰন্তু এই উপধাৰাত থকা কোনো কথাই অধ্যক্ষ বা এজন সদস্যৰ ক্ষেত্ৰত প্ৰয়োগ নহব যি উপধাৰা (৩)ৰ অধীনত পদধাৰণ কৰাৰ পৰা বিৰত থাকে আৰু তেনে অধ্যক্ষ বা সদস্য প্ৰাধিকাৰত হলে নিযুক্তিৰ বাবে বা আপীল ন্যায়াধিকৰণত নিযুক্তিৰ বাবে উপযুক্ত হ'ব ।]

(৯) অধ্যক্ষ বা অন্য সদস্যৰ ৰিক্ত হোৱা পদ ৰিক্ত তাৰিখৰ পৰা তিনি মাহ কালৰ ভিতৰত পূৰণ কৰা হ'ব ।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''ব্যৱসায়িক নিযুক্তি'' মানে যি কোনো ক্ষেত্ৰৰ ব্যৱসায়িক, ঔদ্যোগিক বা বিত্তীয় ব্যৱসায়ৰ লেনদেনত জড়িত থকা কোনো ব্যক্তি বা অভিকৰণৰ অধীনৰ ক্ষমতাৰ অধীনস্থ কোনো নিয়োজন আৰু এই নিযুক্তি স্বধীন ভাবে বা কোনো ফাৰ্মৰ অংশীদাৰ হিচাবে বা উপদেষ্টা হিচাবে বা পৰামৰ্শদাতা হিচাবে কৰা কোনো ব্যৱসায় প্ৰতিষ্ঠাপনকো অন্তৰ্ভুক্ত কৰে ।

অধ্যক্ষ আৰু উপাধ্যক্ষৰ ক্ষমতা সমূহ ।

৬ । (১) অধ্যক্ষৰ প্ৰাধিকাৰৰ কাম কাজ পৰিচালনা কৰাত সাধাৰণ অধীক্ষণ আৰু নিৰ্দ্দেশনাৰ ক্ষমতা থাকিব আৰু প্ৰাধিকাৰৰ সভা সমূহত অধ্যক্ষতা কৰাৰ উপৰিও প্ৰাধিকাৰৰ এনে ক্ষমতা আৰু কৃত্যবোৰ প্ৰয়োগ আৰু নিৰ্বহন কৰিব আৰু বিহিত কৰা দৰে এনে ক্ষমতা প্ৰয়োগ আৰু কৃত্যবোৰ নিৰ্বহন কৰিব ।

(২) কেন্দ্ৰীয় চৰকাৰে প্ৰাধিকাৰৰ কোনো এজন সদস্যক উপাধ্যক্ষ হিচাবে নিয়োগ কৰিব পাৰিব যিজনে প্ৰাধিকাৰৰ দ্বাৰা তেওঁলৈ বিহিত কৰা দৰে বা আৰোপিত কৰা দৰে অধ্যক্ষৰ এনে ক্ষমতা প্ৰয়োগ আৰু কৃত্যবোৰ নিৰ্বহন কৰিব ।

কোনো কোনো অৱস্থাত সদস্যক পদৰ পৰা অপসাৰণ আৰু নিলম্বন।

৭ । কেন্দ্ৰীয় চৰকাৰে যিকোনো সদস্যক পদৰ পৰা অপসাৰণ কৰিব পাৰে, যি জন -

(ক) দেউলীয়া বুলি ন্যায়নিৰ্নীত কৰা হয় ; বা

(খ) কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত হৈছে যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত, নৈতিক অধমতাত প্ৰবৃত্ত হয় ; বা

(গ) সদস্য হিচাবে কাৰ্য্য কৰিবলৈ শাৰিৰীক ভাবে বা মানসিক ভাবে অসমৰ্থ হয় ; বা

(ঘ) এনে বিত্তীয় বা অন্য স্বাৰ্থ অৰ্জন কৰে যিটোৱে এজন সদস্য হিচাবে তেওঁৰ কাৰ্য্যত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থাকে ; বা

(ঙ) তেওঁৰ পদমৰ্য্যাদাৰ এনে অপপ্ৰয়োগ কৰা হৈছে যে তেওঁৰ পদত থকাটো ৰাজহুৱা স্বাৰ্থৰ প্ৰতিকূলে প্ৰভাৱী হয় ।

[৭][(২) উপধাৰা (১)ৰ খণ্ড (ঘ) আৰু খণ্ড (ঙ) ৰ অধীনত এনে কোনো সদস্যক অপসাৰিত কৰা নহব যদিহে তেওঁক বিষয়টোৰ সন্দৰ্ভত শুনানীৰ বাবে যুক্তিযুক্ত সুযোগ দিয়া নহয় ।]

---

১ । ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২ । একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃ স্থাপিত ।
৩ । একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা লোপ কৰা হৈছে।
৪ । একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৫ । একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৬ । একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃ স্থাপিত কৰা হৈছে ।
৭ । একেই অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

সভাসমূহ। ৮। (১) প্ৰাধিকাৰীয়ে এনে সময় আৰু এনে স্থানবোৰত মিলিত হ'ব আৰু বিনিয়মাৱলীত উপবন্ধিত কৰাৰ দৰে (এনে সভাৰ থূল ব্যৱসায়ৰ অন্তৰ্ভুক্ত কৰি) লেনদেনৰ সম্পৰ্কে সভাত প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী নিৰীক্ষণ কৰিব।

(২) অধ্যক্ষই, যদি (কোনো কাৰণত প্ৰাধিকাৰৰ সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, উপাধ্যক্ষই বা তেওঁৰ অনুপস্থিতিত, উপস্থিত সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা নিৰ্বাচিত কৰা অন্য কোনো সদস্যই সভাত অধ্যক্ষতা কৰিব।

(৩) সকলোবোৰ প্ৰশ্ন যিবোৰ প্ৰাধিকাৰৰ কোনো সভাত উত্তৱ হয়, উপস্থিত সদস্য সকলৰ ভোট দানৰ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা বিনিয়মিত কৰা হব আৰু সমান ভোটৰ ক্ষেত্ৰত, অধ্যক্ষই বা তেওঁৰ অনুপস্থিতিত অধ্যক্ষতা কৰা ব্যক্তিজনে দ্বিতীয় বা নিৰ্ণায়ক ভোট দিব পাৰিব।

(৪) প্ৰাধিকাৰীয়ে ইয়াৰ সভাসমূহত ব্যৱসায়ৰ লেনদেনৰ কাৰণে বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰিব।

পদৰিক্তি আদিয়ে প্ৰাধিকাৰৰ কাৰ্য্যবাহ অবিধিমান্য কৰিব নোৱাৰিব। ৯। প্ৰাধিকাৰৰ কোনো কাম বা কাৰ্য্যবাহ কেৱল নিম্নলিখিত কাৰণসমূহত অবিধিমান্য নহ'ব -

(ক) প্ৰাধিকাৰৰ কোনো পদৰিক্তি বা গঠনৰ কোনো ক্ৰটী ; বা

(খ) প্ৰাধিকাৰৰ সদস্য হিচাবে কাৰ্য্যকৰা আবেদক ব্যক্তিৰ নিযুক্তিত থকা কোনো ক্ৰটী ;

(গ) গোচৰৰ উপযুক্ততাত প্ৰভাৱ নেপেলোৱা প্ৰাধিকাৰৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মতা।

প্ৰাধিকাৰৰ পদাধিকাৰী আৰু অন্যান্য কৰ্মচাৰী। ১০। (১) প্ৰাধিকাৰীয়ে এই অধিনিয়মৰ অধীনৰ কৃত্যবোৰৰ দক্ষতাপূৰ্ণ নিৰ্বহনৰ কাৰণে আৱশ্যক বুলি বিবেচনা কৰা দৰে পদাধিকাৰী আৰু অন্য কৰ্মচাৰীক নিয়োগ কৰিব।

(২) উপধাৰা (১)ৰ অধীনত নিযুক্ত প্ৰাধিকাৰৰ পদাধিকৰী আৰু অন্যান্য কৰ্মচাৰীক আদায় দিবলগীয় দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী [১][ বিহিত] কৰা দৰে হ'ব ঃ

[২][পৰন্তু প্ৰাধিকাৰৰ পদাধিকাৰী আৰু অন্যান্য কৰ্মচাৰীসকলৰ সেৱাৰ চৰ্ত্তাৱলী আৰু তেওঁলোকক আদায় দিবলগা বেতন আৰু ভাত্তাৰ সম্বন্ধে ভাৰতৰ দূৰসংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ প্ৰাৰম্ভণৰ পূৰ্বে, যিকোনো বিনিয়মৰ, ধাৰা ৩৫ৰ উপধাৰা (২)ৰ খণ্ড (গক)ৰ অধীনত প্ৰণীত বিনিয়মাৱলীৰ অধিসূচনা প্ৰভাৱহীন হ'ব।]

## অধ্যায় -III

## প্ৰাধিকাৰৰ ক্ষমতা আৰু কাৰ্য্যাৱলী

প্ৰাধিকাৰৰ কাৰ্য্যাৱলী। ১১। [৩][(১) ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ত কোনো কথা থকা স্বত্বেও, প্ৰাধিকাৰৰ কাৰ্য্যাৱলীৰ -

১৮৮৫ৰ ১৩

(ক) নিম্নলিখিত বিষয়সমূহত স্বইচ্ছাৰে বা অনুজ্ঞাপত্ৰ প্ৰদান কৰা ব্যক্তিজনৰ অনুৰোধ মৰ্ম্মে চুপাৰিছ কৰা হ'ব, অৰ্থাৎ ঃ-

(i) নতুন সেৱা ব্যৱস্থাপকৰ আৱশ্যকতা আৰু প্ৰৱৰ্ত্তনৰ সময় নিৰ্দ্ধাৰণ ;

(ii) এজন সেৱা ব্যৱস্থাপকক দিয়া অনুজ্ঞাপত্ৰৰ চৰ্ত্ত আৰু নিবন্ধন ;

(iii) অনুজ্ঞাপত্ৰৰ চৰ্ত্ত আৰু নিবন্ধন দাখিল নকৰাৰ বাবে অনুজ্ঞাপত্ৰৰ প্ৰত্যাহাৰ ;

(iv) প্ৰতিযোগিতাৰ সুবিধাৰ্থে দূৰসংযোগ সেৱাৰ প্ৰৱৰ্ত্তনত দক্ষতা উন্নীত কৰিবলৈ ব্যৱস্থা মতে এনে সেৱাত সুবিধা বৃদ্ধি হয় ;

(v) সেৱাব্যৱস্থাপকৰ দ্বাৰা উপবন্ধিত সেৱাবোৰত কাৰিকৰী উন্নয়ন ;

(vi) সংযোগী প্ৰতিষ্ঠানত ব্যৱহৃত আহিলাপাতি পৰীক্ষণৰ পিছত সেৱা ব্যৱস্থাপকৰ দ্বাৰা ব্যৱহৃত হব লগা আহিলাপাতিৰ প্ৰকাৰ ;

(vii) দূৰসংযোগ কাৰিকৰী আৰু সাধাৰণতঃ দূৰসংযোগ সম্বন্ধীয় অন্য কোনো বিষয়ৰ উন্নয়নৰ বাবে ব্যৱস্থা ;

(viii) সহজলভ্য বেতাৰ পৰিসৰৰ দক্ষতাপূৰ্ণ পৰিচালন ;

(খ) নিম্নলিখিত কৃত্যসমূহৰ নিৰ্বহন, অৰ্থাৎ ঃ-

(i) অনুজ্ঞাপত্ৰৰ চৰ্ত্ত আৰু নিবন্ধন পালন সুনিশ্চিত কৰা ;

(ii) ভাৰতৰ দূৰ-সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ প্ৰাৰম্ভণৰ পূৰ্বে মঞ্জুৰ কৰা অনুজ্ঞাপত্ৰৰ চৰ্ত্ত আৰু নিবন্ধনত কোনো কথা থকা স্বত্বেও সেৱা ব্যৱস্থাপক সকলৰ আন্তঃ সম্পৰ্কিত চৰ্ত্ত আৰু নিবন্ধন ধাৰ্য্য কৰা ;

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একেই অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ২। একেই অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(iii) বিভিন্ন সেৱা ব্যৱস্থাপকৰ মাজত কাৰিকৰী যোগ্যতা আৰু প্ৰভাৱশীল আন্তঃসম্পৰ্ক সুনিশ্চিত কৰা;

(iv) দূৰসংযোগ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে লাভ কৰা ৰাজহ সেৱা ব্যৱস্থাপকসকলৰ মাজত ভাগ কৰা ব্যৱস্থা অধিনিয়মিত কৰা;

(v) সেৱা ব্যৱস্থাপকসকলৰ দ্বাৰা উপবন্ধিত কৰিব লগা সেৱাৰ গুণ সুনিশ্চিত কৰা আৰু দূৰসংযোগ সেৱাৰ উপভোক্তাসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সেৱা ব্যৱস্থাপক সকলৰ দ্বাৰা উপবন্ধিত এনে সেৱাৰ সমীক্ষা চলোৱা;

(vi) দূৰ-সংযোগৰ স্থানীয় আৰু দীৰ্ঘ দূৰত্বৰ চাৰ্কিট সমূহৰ ব্যৱস্থা কৰাৰ কাৰণে বিভিন্ন সেৱা ব্যৱস্থাপকৰ মাজত সময় সুনিশ্চিত আৰু দৃঢ় কৰা;

(vii) বিনিয়মত উপবন্ধিত দৰে আন্তঃসম্পৰ্ক চুক্তিৰ আৰু এনে আন সকলো বিষয়ৰ এখন পঞ্জী সংৰক্ষণ কৰা;

(viii) বিনিয়মত উপবন্ধিত দৰে খণ্ড (vii)ৰ অধীনত সংৰক্ষিত পঞ্জী জনতাৰ যিকোনো সদস্যৰ কাৰণে মাচুল আদায়ত নিৰীক্ষণ আৰু এনে অন্যান্য অপেক্ষাকৰণ পালনৰ বাবে খোলা ৰখা;

(ix) সাৰ্বজনিক সেৱাৰ বাধ্যবাধকতাৰ প্ৰভাৱশীল পালন সুনিশ্চিত কৰা;

(গ) বিনিয়মৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা দৰে এনে সেৱাৰ এনে হাৰত আৰু এনে সম্পৰ্কত মাচুল আৰু অন্য প্ৰভাৱৰ উদ্‌গ্ৰহন কৰা;

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ন্যস্ত কৰা দৰে বা এই অধিনিয়মৰ উপবন্ধাৱলী সম্পন্ন কৰিবলৈ আৱশ্যক হোৱা দৰে এনে প্ৰশাসনীয় আৰু বিত্তীয় কৃত্যবোৰ অন্তৰ্ভুক্ত কৰি এনে অন্যান্য কৃত্য পালন কৰাঃ

পৰন্তু এই উপধাৰাৰ খণ্ড (ক) ত বিনিৰ্দ্দিষ্ট কৰা প্ৰাধিকাৰীৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ ওপৰত আবদ্ধকৰ নহবঃ

উপৰন্তু কেন্দ্ৰীয় চৰকাৰে সেৱা ব্যৱস্থাপকৰ বাবে দিব লগা নতুন অনুজ্ঞাপত্ৰৰ সম্পৰ্কত এই উপধাৰাৰ খণ্ড (ক)ৰ উপ-খণ্ড (i) আৰু (ii) ত বিনিৰ্দ্দিষ্ট বিষয়ৰ সম্পৰ্কত প্ৰাধিকাৰীৰ অনুমোদন বিচাৰিব আৰু প্ৰাধিকাৰীয়ে সেই চৰকাৰে অনুমোদন বিচৰাৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত অনুমোদন প্ৰেৰণ কৰিবঃ

অধিকন্তু প্ৰাধিকাৰীয়ে কেন্দ্ৰীয় চৰকাৰক, এই উপধাৰাৰ খণ্ড (ক)ৰ উপ-খণ্ড (i) আৰু (ii)ৰ অধীনত অনুমোদন প্ৰস্তুত কৰাৰ প্ৰয়োজনাৰ্থে আৱশ্যক হোৱা দৰে এনে তথ্য বা দস্তাৱেজ দিবলৈ অনুৰোধ কৰিব পাৰে, আৰু সেই চৰকাৰৰ এনে অনুৰোধ প্ৰাপ্তিৰ সাত দিনৰ ভিতৰত এনে তথ্য দিবঃ

অধিকন্তু কেন্দ্ৰীয় চৰকাৰে এজন সেৱা ব্যৱস্থাপকক এখন অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে যদিহে দ্বিতীয় পৰন্তুকত বিনিৰ্দ্দিষ্ট কৰা কালৰ ভিতৰত বা কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰাধিকাৰীৰ মাজত পাৰস্পৰিক ভাবে সন্মত হোৱা দৰে এনে কালৰ ভিতৰত প্ৰাধিকাৰীৰ পৰা কোনো অনুমোদন পোৱা নহয়ঃ

অধিকন্তু যদি কেন্দ্ৰীয় চৰকাৰে প্ৰাধিকাৰীৰ অনুমোদন বিবেচনা কৰি প্ৰথম দৃষ্টিতে এনে সিদ্ধান্তত উপনীত হয় যে এনে অনুমোদন গ্ৰহণ কৰিব নোৱাৰি বা ৰূপান্তৰ কৰাৰ দৰ্কাৰ হয়, কেন্দ্ৰীয় চৰকাৰে প্ৰাধিকাৰীলৈ পুনৰ বিবেচনাৰ কাৰণে অনুমোদন ঘূৰাই পঠিয়াব পাৰে আৰু প্ৰাধিকাৰীয়ে এনে নিৰ্দ্দেশ প্ৰাপ্তিৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ ভিতৰত, চৰকাৰে দিয়া নিৰ্দ্দেশ বিবেচনা কৰি কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদন কৰিব পাৰে, যদি কিবা থাকে পুনৰ অনুমোদন প্ৰাপ্তিৰ পিচত কেন্দ্ৰীয় চৰকাৰে চূড়ান্ত সিদ্ধান্ত লব।]

১৮৮৫ৰ ১৩ (২) ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ত কোনো কথা থকা স্বত্বেও প্ৰাধিকাৰীয়ে সময়ে সময়ে চৰকাৰী ৰাজপত্ৰত আদেশৰ দ্বাৰা নিৰিখবোৰ অধিসূচিত কৰিব পাৰিব যিবোৰ হাৰত ভাৰতৰ ভিতৰত আৰু ভাৰতৰ বাহিৰত সেই নিৰিখবোৰ অন্তৰ্ভুক্ত কৰি উপবন্ধিত কৰিব যি হাৰত ভাৰতৰ বাহিৰত অন্য দেশলৈ সংবাদ প্ৰেৰণ কৰা হ'বঃ

পৰন্তু প্ৰাধিকাৰীয়ে বিভিন্ন ব্যক্তি বা ব্যক্তিৰ শ্ৰেণীৰ বাবে একে ধৰণৰ দূৰ সংযোগ সেৱাৰ বাবে বিভিন্ন নিৰিখৰ বিষয়ে অধিসূচিত কৰিব প্যৰে আৰু য'ত উপৰোক্ত ধৰণে বিভিন্ন নিৰিখ ধাৰ্য্য কৰা হয়, প্ৰাধিকাৰীয়ে তাৰ কাৰণসমূহ অভিলেখ কৰিব।

(৩) য'ত [১][উপধাৰা (১) বা উপধাৰা (২)] ৰ অধীনত কৃত্যবোৰ নিৰ্বহন কৰি থকা হয়, প্ৰাধিকাৰীয়ে ভাৰতৰ সাৰ্বভৌমত্বৰ আৰু অখণ্ডতাৰ ৰাজ্যৰ সুৰক্ষা, বিদেশী ৰাজ্য সমূহৰ লগত বন্ধুত্বৰ সম্বন্ধ, লোকব্যৱস্থা, শালীনতা আৰু নৈতিকতাৰ স্বাৰ্থৰ বিৰুদ্ধে কাম নকৰিব।

(৪) প্ৰাধিকাৰীয়ে নিৰপেক্ষতা সুনিশ্চিত কৰিব যেতিয়া নিজৰ ক্ষমতা প্ৰয়োগ আৰু কৃত্যবোৰ নিৰ্বাহ কৰি থাকে।

প্ৰাধিকাৰৰ তথ্য দাবী কৰাৰ আৰু অনুসন্ধান আদি চলোৱাৰ ক্ষমতা।

১২। (১) য'ত প্ৰাধিকাৰে এনে কৰাটো সমীচিন বুলি বিবেচনা কৰে, লিখিত আদেশৰ দ্বাৰা -

(ক) প্ৰাধিকাৰে অপেক্ষা কৰা দৰে ইয়াৰ কাৰ্য্যকলাপৰ সম্বন্ধত এনে সংবাদ বা স্পষ্টীকৰণ লিখিত ভাবে কোনো সেৱা ব্যৱস্থা কৰাৰ পৰা যিকোনো সময়ত বিচাৰিব পাৰে ; বা

(খ) কোনো সেৱা ব্যৱস্থাপকৰ কাম কাজ সম্বন্ধত তদন্ত কৰিবলৈ এজন বা অধিক ব্যক্তিক নিয়োগ কৰিব পাৰে ; আৰু

(গ) ইয়াৰ যিকোনো পদাধিকাৰী বা কৰ্মচাৰীক কোনো সেৱা ব্যৱস্থাপকৰ হিচাপৰ বহী বা অন্যান্য দস্তাৱেজ পৰীক্ষা কৰিবলৈ নিৰ্দ্দেশ কৰিব পাৰে।

(২) য'ত উপধাৰা (১)ৰ অধীনত কোনো সেৱা ব্যৱস্থাপকৰ কামকাজৰ সম্বন্ধত কোনো তদন্ত কৰা হৈছে।

(ক) চৰকাৰী বিভাগৰ প্ৰত্যোক পদাধিকাৰী, যদি এনে সেৱা ব্যৱস্থাপক চৰকাৰী বিভাগ হয় ;

(খ) প্ৰত্যেক নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰী যদি এনে সেৱা ব্যৱস্থাপক কোম্পানী হয় ; বা

(গ) প্ৰত্যেক অংশীদাৰ, পৰিচালক, সচিব বা আন পদাধিকাৰী, যদি এনে সেৱা ব্যৱস্থাপক এখন ফাৰ্ম হয় ; বা

(ঘ) খণ্ড (খ) আৰু (গ)ত উল্লেখিত যিকোনো ব্যক্তিৰ সৈতে ব্যৱসায়ৰ ক্ৰমত লেনদেন থকা প্ৰত্যেক অন্য ব্যক্তি বা ব্যক্তিৰ নিকায়, তদন্ত কৰা প্ৰাধিকাৰৰ সম্বন্ধত এনে সকলো হিচাপৰ বহী বা তেওঁৰ অভিৰক্ষাত বা ক্ষমতাত থকা এনে তদন্তৰ বিষয়বস্তুৰ সম্বন্ধীয় অন্য দস্তাৱেজ পেচ কৰিবলৈ আৰু তাৰ সম্বন্ধৰ যথাস্থিতি এনে কোনো বিবৃতি বা তথ্য, যি তেওঁৰ পৰা অপেক্ষা কৰা হয়, বিনিৰ্দ্দিষ্ট কৰা এনে সময়ৰ ভিতৰত দাখিল কৰিবলৈ বাধ্য থাকিব।

(৩) প্ৰত্যেক সেৱা ব্যৱস্থাপকে বিহিত কৰা দৰে এনে হিচাপৰ বহী আৰু অন্যান্য দস্তাবেজ সুৰক্ষা কৰিব।

(৪) প্ৰাধিকাৰৰ সেৱা ব্যৱস্থাপক সকলৰ সমুচিত কাৰ্য্যৰ বাবে আৱশ্যক বুলি বিবেচনা কৰা দৰে এনে নিৰ্দ্দেশাৱলী ব্যৱস্থাপকসকলক জাৰি কৰিবলৈ ক্ষমতা থাকিব।

প্ৰাধিকাৰৰ নিৰ্দ্দেশাৱলী জাৰি কৰিবলৈ ক্ষমতা।

১৩। ধাৰা ১১ৰ উপধাৰা (১) অধীনৰ কাৰ্য্যাৱলী নিৰ্বহন কৰিবলৈ প্ৰাধিকাৰে আৱশ্যক বুলি বিবেচনা কৰা দৰে এনে নিৰ্দ্দেশাৱলী সময়ে সময়ে সেৱা ব্যৱস্থাপকসকলৰ বাবে জাৰি কৰিব পাৰেঃ

[২][পৰন্তু ধাৰা ১২ৰ উপধাৰা (৪)ৰ অধীনত বা এই ধাৰাৰ অধীনত কোনো নিৰ্দ্দেশনা, ধাৰা ১১ত উপধাৰা (১)ৰ খণ্ড (খ)ত বিনিৰ্দ্দিষ্ট বিষয়ৰ ব্যতিৰেকে, জাৰি কৰা নহব।]

## [৩][অধ্যায়-IV

### আপীল ন্যায়াধিকৰণ

১৪। কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা নিম্নলিখিত যিকোনো এটা বিবাদৰ ন্যায় নিৰ্ণয়ৰ বাবে দূৰসংযোগ বিবাদ নিস্পত্তি নামেৰে এটা আপীল ন্যায়াধিকৰণ স্থাপন কৰিব -

(ক) যিকোনো বিবাদ ন্যায়নিৰ্ণয় কৰিব -

(i) অনুজ্ঞাপত্ৰ প্ৰদানক আৰু অনুজ্ঞাপকৰ মাজত ;

(ii) দুজন বা অধিক সেৱা ব্যৱস্থাপকৰ মাজত ;

(iii) এজন সেৱা ব্যৱস্থাপক আৰু কোনো উপভোক্তা গোটৰ মাজত ঃ

পৰন্তু এই খণ্ডৰ কোনো কথাই নিম্নলিখিত বিষয়ৰ সম্বন্ধত প্ৰয়োগ নহব --

১৯৬৯ৰ ৫৪

**(ক)** একচেতীয়া বেপাৰ ব্যৱসায় আৰু অৱৰোধক বেপাৰ ব্যৱসায়, আয়োগৰ ক্ষেত্ৰাধিকাৰৰ অধীনত একাধিকবাৰ বেপাৰ ব্যৱসায়, অৱৰোধক বেপাৰ ব্যৱসায় আৰু অসৎ বেপাৰ ব্যৱসায়সমূহ যিবোৰ একচেতীয়া আৰু অৱৰোধক বেপাৰ ব্যৱসায় অধিনিয়ম, ১৯৬৯ৰ ধাৰা ৫ৰ উপধাৰা (১)ৰ অধীনত প্ৰতিষ্ঠাপিত।

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম ২০০০ৰ ধাৰা ৯ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একেই অধিনিয়মৰ ধাৰা ১০ৰ দ্বাৰা অন্তস্থাপিত।

৩। একেই অধিনিয়মৰ ধাৰা ১১ৰ দ্বাৰা প্ৰতি ষ্ঠাপিত।

১৯৮৬ৰ ৬৮ (ঘ) উপভোক্তা সংস্থান অধিনিয়ম, ১৯৮৬ৰ ধাৰা ৯ৰ অধীনত প্ৰতিষ্ঠাপন উপভোক্তা বিবাদ প্ৰতিকাৰ ফ'ৰাম বা উপভোক্তা বিবাদ প্ৰতিকাৰ আয়োগ বা ৰাষ্ট্ৰীয় উপভোক্তা প্ৰতিকাৰ আয়োগত চলাব পৰা কোনো ব্যক্তিগত উপভোক্তাৰ আপত্তিৰ সম্বন্ধত।

১৮৮৫ৰ ১৩ (গ) ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ৰ ধাৰা ৭খৰ উপধাৰা (১)ত নিৰ্দ্দেশিত অন্য কোনো ব্যক্তি আৰু টেলিগ্ৰাম প্ৰাধিকাৰীৰ মাজৰ বিবাদৰ সম্বন্ধত।

(খ) এই অধিনিয়মৰ অধীনত প্ৰাধিকাৰৰ কোনো নিৰ্দ্দেশ, সিদ্ধান্ত বা আদেশৰ বিৰুদ্ধে আপীলৰ শুনানী আৰু নিষ্পত্তি।

বিবাদ নিষ্পত্তিৰ কাৰণে আবেদন আৰু ন্যায়াধিকৰণলৈ আপীল।

১৪ক। (১) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰাধিকাৰী বা কোনো ব্যক্তিয়ে ধাৰা ১৪ৰ খণ্ড (ক)ত কোনো বিবাদৰ ন্যায়নিৰ্ণয়ৰ বাবে আপীল ন্যায়াধিকৰণলৈ আবেদন কৰিব পাৰে।

(২) প্ৰাধিকাৰৰ দ্বাৰা কৰা কোনো নিৰ্দ্দেশ, সিদ্ধান্ত বা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তি বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীয়ে আপীল ন্যায়াধিকৰণত আপীল কৰিব পাৰে।

(৩) উপধাৰা (২)ৰ অধীনৰ প্ৰত্যেক আপীল, প্ৰাধিকাৰে কৰা নিৰ্দ্দেশ, আদেশ বা সিদ্ধান্তৰ প্ৰতিলিপি প্ৰাপ্তিৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰাধিকাৰী বা ক্ষোভিত ব্যক্তিৰ দ্বাৰা কৰা হব আৰু আপীল এনে প্ৰ-পত্ৰত আৰু এনে ৰীতিত প্ৰমানিত কৰা হব আৰু বিহিত মাচুল দিয়া হব ঃ

পৰন্তু আপীল ন্যায়াধিকৰণে, উক্ত ত্ৰিশ দিন কালৰ অৱসানৰ পিচত কোনো আপীল গ্ৰহণ কৰিব পাৰে যদি আপীল ন্যায়াধিকৰণ সন্তুষ্ট হয় যে উক্ত কালৰ ভিতৰত আপীল দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ থাকে।

(৪) উপধাৰা (১)ৰ অধীনত এখন আবেদন বা উপধাৰা (২) অধীনত কোনো আপীল প্ৰাপ্তিত আপীল ন্যায়াধিকৰণে বিবাদ বা আপীলৰ পক্ষক শুনানীৰ সুযোগ দিয়াৰ পিচত, উচিত বুলি ভবা দৰে তাৰ ওপৰত এনে আদেশ পাৰিত কৰিব পাৰে।

(৫) আপীল ন্যায়াধিকৰণে কৰা প্ৰত্যেক আদেশৰ একোটা প্ৰতিলিপি যথাস্থিতি বিবাদৰ বা আপীলৰ পক্ষ বা প্ৰাধিকাৰলৈ প্ৰেৰণ কৰিব।

(৬) উপধাৰা (১)ৰ অধীনত কৰা আবেদন বা উপধাৰা (২)ৰ অধীনত গ্ৰহণ কৰা আপীল ন্যায়াধিকৰণে যথাসম্ভৱ শীঘ্ৰে ব্যৱস্থা কৰিব আৰু আবেদন বা যথাস্থিতি আপীল গ্ৰহণ কৰাৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত আবেদন বা আপীলৰ চূড়ান্ত নিষ্পত্তিৰ বাবে প্ৰয়াস কৰিব ঃ

পৰন্তু য'ত উক্ত নব্বৈ দিনৰ ভিতৰত এনে আবেদন বা আপীলৰ নিষ্পত্তি কৰিব নোৱাৰি আপীল ন্যায়াধিকৰণে তেনে কালৰ ভিতৰত আবেদন বা আপীল নিষ্পত্তি নকৰাৰ কাৰণ সমূহ অভিলিখিত কৰিব।

(৭) আপীল ন্যায়াধিকৰণে উপধাৰা (১)ৰ অধীনত কোনো আবেদনত উল্লেখ কৰা কোনো বিবাদ বা উপধাৰা (২)ৰ অধীনত কৰা কোনো আপীলত নিৰ্দ্দেশিত প্ৰাধিকাৰৰ কোনো নিৰ্দ্দেশ আদেশ বা সিদ্ধান্ত বিধিমান্যতা বা সমীচিনতা বা শুদ্ধতাৰ বিষয়ে পৰীক্ষণ কৰাৰ প্ৰয়োজনাৰ্থে স্বইচ্ছাৰে বা অন্যথা তেনে আবেদন বা আপীল নিষ্পত্তিকৰণৰ বাবে সুসঙ্গত নথিপত্ৰ বিচাৰিব পাৰে আৰু ন্যায়াধিকৰণে উচিত বুলি ভবাৰ দৰে এনে আদেশ কৰিব পাৰে।

আপীল ন্যায়াধিকৰণৰ গঠন।

১৪খ। (১) আপীল ন্যায়াধিকৰণ এজন অধ্যক্ষৰে আৰু কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা নিয়োগ কৰিব লগা দুজনৰ অনধিক সদস্যৰে গঠিত হব।

(২) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যৰ বাছনি ভাৰতৰ মুখ্য ন্যায়াধীশৰ লগত পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কৰা হ'ব।

(৩) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, -

(ক) আপীল ন্যায়াধিকৰণৰ অধিকাৰিতা তাৰ খণ্ডপীঠ সমূহৰ দ্বাৰা প্ৰয়োগ কৰা হব ;

(খ) এখন খণ্ডপীঠ অধ্যক্ষই উচিত বুলি গণ্য কৰাৰ দৰে এনে ন্যায়াধিকৰণৰ এজন বা দুজন সদস্যৰে আপীল ন্যায়াধিকৰনৰ অধ্যক্ষৰ দ্বাৰা গঠিত হব ;

(গ) আপীল ন্যায়াধিকৰণৰ খণ্ডপীঠসমূহে সাধাৰণতে নতুন দিল্লীত আৰু কেন্দ্ৰীয় চৰকাৰৰ অধ্যক্ষৰ সৈতে পৰামৰ্শ কৰি অধিসূচিত কৰা দৰে এনে অন্য স্থানত বহিব ;

(ঘ) কেন্দ্ৰীয় চৰকাৰে আপীল ন্যায়াধিকৰণৰ প্ৰত্যেক খণ্ডপীঠ প্ৰয়োগ কৰিব পৰা অধিকাৰিতাৰ সম্বন্ধত থকা এলেকাসমূহ অধিসূচিত কৰিব।

(৪) উপধাৰা (২)ত কোনো কথা থকা স্বত্বেও আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই এনে ন্যায়াধিকৰণৰ একোজন সদস্যক এটা খণ্ডপীঠৰ পৰা আন এটালৈ অন্তৰণ কৰিব পাৰে।

(৫) যদি আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যৰ কোনো গোচৰ বা বিষয়ৰ শুনানীৰ যিকোনো পৰ্য্যায়ত এনে প্ৰতীত হয় যে গোচৰ বা বিষয়টো এনে প্ৰকৃতিৰ যে দুজন সদস্যৰে গঠিত খণ্ডপীঠৰ দ্বাৰা শুনানী লোৱাটো উচিত হব, গোচৰ বা বিষয়টো অধ্যক্ষৰ দ্বাৰা তেওঁ উচিত বুলি গন্য কৰিব পৰা এনে খণ্ডপীঠলৈ অন্তৰিত কৰিব পাৰি।

অধ্যক্ষ আৰু সদস্যৰ নিযুক্তিৰ বাবে অৰ্হতা।

১৪গ। এজন ব্যক্তি, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্য পদৰ নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন নহব যদিহে তেওঁ -

(ক) অধ্যক্ষৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশ বা উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নহয় বা হৈ থকা নাই;

(খ) সদস্যৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ সচিব বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ এনে সমপৰ্য্যায়ৰ পদ দুবছৰৰ কম নোহোৱা কালৰ বাবে ধাৰণ কৰা নাই বা এজন ব্যক্তি যিজন কাৰিকৰী দূৰসংযোগ, উদ্যোগ, বানিজ্য বা প্ৰশাসনৰ সুদক্ষ নহয়।

পদৰ কাৰ্য্যকাল।

১৪ঘ। আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা প্ৰত্যেক অন্য সদস্যই সেইমতে তেওঁৰ পদত অধিষ্ঠিত হোৱা তাৰিখৰ পৰা তিনিবছৰৰ অনধিক কালৰ বাবে পদ ধাৰণ কৰি থাকিব ঃ

পৰন্তু কোনো অধ্যক্ষ বা অন্য সদস্যই পদ ধাৰণ নকৰিব, -

(ক) অধ্যক্ষৰ ক্ষেত্ৰত সত্তৰ বছৰ বয়স প্ৰাপ্ত কৰিলে ;

(খ) সদস্যৰ ক্ষেত্ৰত পয়ষষ্ঠি বছৰ বয়স প্ৰাপ্ত কৰিলে।

পদৰ চৰ্তাৱলী।

১৪ঙ। আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যৰ দেয় দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী বিহিত কৰিব পৰা এনে ধৰণৰ হব ঃ

পৰন্তু আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যৰ দৰ্মহা আৰু ভাত্তা বা সেৱাৰ অন্যান্য চৰ্ত্তাৱলীৰ নিযুক্তিৰ পিছত তেওঁলোকৰ অসুবিধাৰ বাবে পৰিৱৰ্ত্তিত কৰা নহব।

পদৰিক্তিসমূহ।

১৪চ। যদি অস্থায়ী অনুপস্থিতিৰ ব্যতিৰেকে অন্য কাৰণত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ বা সদস্যৰ পদ ৰিক্ত হয় কেন্দ্ৰীয় চৰকাৰে পদৰিক্তিসমূহ পূৰণ কৰাৰ বাবে এই অধিনিয়মৰ উপবন্ধাৱলী অনুসৰি অন্য ব্যক্তিক নিযুক্তি দিব আৰু আপীল ন্যায়াধিকৰণৰ সদস্যৰ কাৰ্য্যবাহসমূহ পদৰিক্তিসমূহ পূৰণ হোৱাৰ সময়ৰ পৰা চলাই যাব পাৰিব।

অপসাৰণ আৰু ইস্তাফা।

১৪ছ। (১) কেন্দ্ৰীয় চৰকাৰে আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যক কাৰ্য্যালয়ৰ পৰা অপসাৰণ কৰিব পাৰে, যিজনক -

(ক) এজন দেউলীয়া বুলি ন্যায়নিৰ্নীত কৰা হৈছে ; বা

(খ) অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছে যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক অধমতাত জড়িত হয় ; বা

(গ) অধ্যক্ষ বা সদস্য হিচাবে কাৰ্য্য কৰাৰ বাবে শাৰীৰিক ভাবে বা মানসিক ভাবে অসমৰ্থ হয় ; বা

(ঘ) অধ্যক্ষ বা সদস্য হিচাবে কৰা কাৰ্য্যাৱলীৰ প্ৰতিকূলে প্ৰভাৱিত হোৱাকৈ এনে বিত্তীয় বা অন্য স্বাৰ্থ লাভ কৰিছে ; বা

(ঙ) তেওঁৰ পদমৰ্য্যদাৰ এনে অপপ্ৰয়োগ হৈছে যে পদত থকাটো ৰাজহুৱা স্বাৰ্থৰ প্ৰতিকূল প্ৰভাৱিত হয়।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যক পদৰ পৰা সেই উপধাৰাৰ খণ্ড (ঘ) বা খণ্ড (ঙ)ত বিনিৰ্দ্দিষ্ট কাৰণত অপসাৰণ কৰিব নোৱাৰিব যদিহে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এই মৰ্মে বিনিৰ্দ্দিষ্ট এনে প্ৰক্ৰিয়া অনুসৰি এক তদন্ত কৰাৰ পিছত উচ্চতম ন্যায়ালয়ে এক নিৰ্দ্দেশ কৰি অধ্যক্ষ বা সদস্যজনক তেনে কাৰণত বা কাৰণসমূহত অপসাৰণ কৰাটো উচিত হব বুলি প্ৰতিবেদন দাখিল নকৰে।

(৩) কেন্দ্ৰীয় চৰকাৰে, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যক যাৰ সম্পৰ্কত উপধাৰা (২)ৰ অধীনত উচ্চতম ন্যায়ালয়লৈ নিৰ্দ্দেশ কৰা হৈছে, পদৰ পৰা নিলম্বিত কৰিব পাৰে যেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এনে নিৰ্দ্দেশত উচ্চতম ন্যায়ালয়ৰ পৰা প্ৰতিবেদন প্ৰাপ্ত কৰি আদেশ পাৰিত নকৰে।

আপীল ন্যায়াধিকৰণৰ কৰ্ম্মচাৰী।

১৪জ। (১) কেন্দ্ৰীয় চৰকাৰে উচিত বুলি গণ্য কৰাৰ দৰে পদাধিকাৰী আৰু কৰ্মচাৰীসকলৰ সৈতে আপীল ন্যায়াধিকৰণ উপবন্ধিত কৰিব পাৰে।

(২) আপীল ন্যায়াধিকৰণ পদাধিকাৰী আৰু কৰ্মচাৰীয়ে অধ্যক্ষৰ সাধাৰণ অধীক্ষনৰ অধীনত কৃত্যবোৰ নিৰ্বাহ কৰিব।

(৩) আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰী সকলৰ দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী বিহিত কৰা দৰে হব ।

খণ্ডপীঠ সমূহৰ মাজত কাৰ্য্যাৱলীৰ বিতৰণ ।

১৪ঝ । য'ত খণ্ডপীঠসমূহ গঠন কৰা হয়, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই সময়ে সময়ে অধিসূচনাৰ দ্বাৰা আপীল ন্যায়াধিকৰণৰ কাৰ্য্যাৱলী খণ্ডপীঠসমূহৰ মাজত বিতৰণ কৰাৰ সময়ত উপবন্ধ কৰিব আৰু প্ৰত্যেক খণ্ডপীঠে লেনদেন কৰিব লগা বিষয়বিলাকৰ কাৰণেও উপবন্ধ কৰিব ।

গোচৰ অন্তৰণ কৰিবলৈ অধ্যক্ষৰ ক্ষমতা ।

১৪ঞ । পক্ষসমূহৰ কোনো এটাৰ আবেদন মৰ্মে আৰু পক্ষক সূচীত কৰাৰ পিচত আৰু শুনানী লবলৈ প্ৰয়াস কৰা দৰে শুনানী লোৱাৰ পিছত বা এনে সূচনা বিনা তেওঁৰ নিত্য ইচ্ছাত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই এখন খণ্ডপীঠত স্থগিত থকা যিকোনো গোচৰ আন এক খণ্ডপীঠলৈ নিষ্পত্তিৰ বাবে অন্তৰণ কৰিব পাৰে ।

সংখ্যাগৰিষ্ঠতাৰ সিদ্ধান্ত লোৱা হব ।

১৪ট । যদি দুজন সদস্যৰে গঠিত খণ্ডপীঠৰ সদস্য সকলৰ কোনো এটা বিষয়ত মতভেদ হয়, তেওঁলোকক মতভেদ হোৱা বিষয় বা বিষয়সমূহ বৰ্ণনা কৰিব আৰু আপীল ন্যায়াধিকৰণৰ অধ্যক্ষলৈ নিৰ্দ্দেশ কৰিব যি বিষয়টো বা বিষয়সমূহ নিজে শুনিব আৰু তেনে বিষয় বা বিষয়সমূহ সংখ্যাগৰিষ্ঠতাৰ মত অনুসাৰে, যি সকলে বাদৰ শুনানী লৈছিল, প্ৰথমতে শুনানী লোৱা সকলক অন্তৰ্ভুক্ত কৰি, বিনিশ্চিত কৰা হব ।

সদস্য, আদি লোকসেৱক হব ।

১৪ঠ । আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ, সদস্য আৰু অন্যান্য পদাধিকাৰী আৰু কৰ্ম্মচাৰীসকলক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অধীনত লোকসেৱক বুলি গণ্য কৰা হব । ১৮৬০ ৰ ৪৫

স্থগিত থকা গোচৰৰ অন্তৰণ ।

১৪ড । এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণ প্ৰতিষ্ঠিত হোৱা তাৰিখৰ অব্যৱহিত পূৰ্বে প্ৰাধিকাৰৰ আগত ন্যায়নিৰ্ণয়ৰ স্থগিত থকা সকলো আবেদন সেই তাৰিখত এনে ন্যায়াধিকৰণলৈ অন্তৰণ কৰা হব ঃ

পৰন্তু অধ্যায় iv ৰ উপবন্ধাৱলীৰ অধীনত ন্যায়নিৰ্নীত হোৱা সকলো বিলাক বিবাদ, ভাৰতৰ দূৰসংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে থকা ধৰণে সেই অধ্যায়ত থকা উপবন্ধাৱলী অনুসৰি এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণৰ স্থাপন হোৱালৈকে প্ৰাধিকাৰৰ দ্বাৰা ন্যায়নিৰ্নয় কৰাটো চলি থাকিব ঃ

উপৰন্তু প্ৰথম পৰন্তুকত নিৰ্দ্দেশিত সকলোবিলাক গোচৰ প্ৰাধিকাৰৰ দ্বাৰা আপীল ন্যায়াধিকৰণলৈ ধাৰা ১৪ৰ অধীনত ন্যায়াধিকৰণ প্ৰতিষ্ঠা হোৱাৰ লগে লগে অন্তৰণ কৰা হ'ব ।

আপীলৰ অন্তৰণ ।

১৪ঢ । (১) ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ(সংশোধন) অধিনিয়ম, ২০০০ৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে উচ্চ ন্যায়ালয়ৰ আগত স্থগিত থকা সকলো বিলাক আপীল, ধাৰা ১৪ৰ অধীনত আপীল ন্যায়াধিকৰণ স্থাপিত হোৱাৰ লগে লগে তালৈ অন্তৰণ কৰিব ।

(২) য'ত উপধাৰা (১)ৰ অধীনত উচ্চন্যায়ালয়ৰ পৰা আপীল ন্যায়াধিকৰণলৈ কোনো অন্তৰিত আপীল বাহাল থাকে –

(ক) উচ্চন্যায়ালয়ে এনে অন্তৰণৰ পিচত যিমান সোনকালে পাৰি, এনে আপীলৰ নথিপত্ৰ আপীল ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিব ; আৰু

(খ) আপীল ন্যায়াধিকৰণে এনে নথিপত্ৰ প্ৰাপ্তিত যিমানদূৰ পাৰি এনে অন্তৰণৰ আগতে পোৱা পৰ্য্যায়ৰ পৰা বা তাতকৈ পূৰ্ব পৰ্য্যায়ৰ পৰা বা আপীল ন্যায়াধিকৰণে উচিত বুলি গণ্য কৰিব পৰাৰ দৰে নতুনকৈ এনে আপীলৰ লেনদেনত অগ্ৰসৰ হব ।

চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব ।

১৫ । কোনো চিভিল ন্যায়ালয়ৰ কোনো বিষয়ৰ সম্বন্ধে বাদ বা কাৰ্য্যবাহ গ্ৰহন কৰিবলৈ অধিকাৰিতা নাথাকিব যিটো এই অধিনিয়মৰ দ্বাৰা বা অধীনত নিৰ্দ্ধাৰণ কৰাৰ বাবে আপীল ন্যায়াধিকৰণ ক্ষমতাযুক্ত হয় আৰু কোনো স্থগিতাদেশ এই অধিনিয়মৰ দ্বাৰা বা অধীনত ন্যস্ত কৰা ক্ষমতা অনুসৰি গ্ৰহন কৰা বা গ্ৰহন কৰিব লগা কোনো কাৰ্য্যব্যৱস্থাৰ সম্পৰ্কত কোনো ন্যায়ালয় বা প্ৰাধিকাৰীৰ দ্বাৰা মঞ্জুৰ কৰা নহব ।

আপীল ন্যায়ালয়ৰ প্ৰক্ৰিয়া আৰু ক্ষমতা । ১৯০৮ ৰ ৫

১৬ । (১) আপীল ন্যায়াধিকৰণে চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা বৰ্ণিত প্ৰক্ৰিয়াৰ দ্বাৰা আৱদ্ধ নহব কিন্তু নৈসৰ্গিক ন্যায়ৰ নীতিৰ দ্বাৰা পৰিচালিত হব আৰু এই অধিনিয়মৰ অন্য উপবন্ধাৱলীৰ সাপেক্ষে আপীল ন্যায়াধিকৰণৰ নিজৰ প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব । ১৯০৮ ৰ ৫

(২) আপীল ন্যায়াধিকৰণৰ, এই অধিনিয়মৰ অধীনত কৃত্যবোৰ নিৰ্বহন কৰাৰ প্ৰয়োজনাৰ্থে একে ক্ষমতা থাকিব যিবোৰ ক্ষমতা চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা হৈছে, যেতিয়া নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত বাদ সমূহ বিচাৰ কৰি থাকে ।

(ক) কোনো ব্যক্তিৰ উপস্থিতি চমন কৰা আৰু বলৱৎ কৰা আৰু তেওঁক শপথ পৰীক্ষা কৰা ;

(খ) উদ্ভাৱন অপেক্ষা কৰা আৰু দস্তাৱেজ পেচকৰণ ;

(গ) শপতপত্ৰত সাক্ষ্য প্ৰাপ্ত কৰা ;

১৮৭২ ৰ ১ (ঘ) ভাৰতৰ সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ ধাৰা ১২৩ আৰু ১২৪ৰ উপবন্ধাৱলীৰ সাপেক্ষে

কোনো লোক অভিলেখ বা দস্তাৱেজ বা এনে অভিলেখ বা দস্তাৱেজৰ প্ৰতিলিপি যিকোনো কাৰ্য্যালয়ৰ পৰা অধিগ্ৰহন কৰা ;

(ঙ) সাক্ষী বা দস্তাৱেজৰ পৰীক্ষণৰ কাৰণে আয়োগ গঠন কৰা ;

(চ) ইয়াৰ বিনিশ্চয় পুনৰীক্ষণ কৰা ;

(ছ) ব্যতিক্ৰম বা একপক্ষীয় বিনিশ্চয়ৰ বাবে কোনো আবেদন খাৰিজ কৰা ;

(জ) ব্যতিক্ৰম বা ইয়াৰ দ্বাৰা পাৰিত কৰা আদেশৰ বাবে কোনো আবেদনৰ খাৰিজকৰণৰ কোনো আদেশ বাতিল কৰা ; আৰু

(ঝ) বিহিত কৰিব পৰা অন্য কোনো বিষয়।

১৮৬০ ৰ ৪৫ (৩) আপীল ন্যায়াধিকৰণৰ আগত প্ৰত্যেক কাৰ্য্যবাহ ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থৰ ভিতৰত আৰু ভাৰতীয় দণ্ড প্ৰক্ৰিয়াৰ ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ন্যায়িক কাৰ্য্যবাহ কাল বুলি গণ্য কৰা হব
১৯৭৪ৰ ২ আৰু আপীল ন্যায়াধিকৰণক, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধ্যায় XXVI আৰু ধাৰা ১৯৫ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হব।

বিধিক প্ৰতিনিধিত্বৰ অধিকাৰ।

১৭। আবেদনকাৰী বা আপীলকাৰীয়ে ব্যক্তিগতভাবে আপীল ন্যায়াধিকৰণৰ সম্পৰ্কত উপস্থিত হব পাৰে বা এজন বা অধিক চনদী গাণনিক বা কোম্পানী সচিব বা ব্যয় গাণনিক বা বিধি ব্যৱসায়িক বা ইয়াৰ পদাধিকাৰীসকলে কোনো এজনক তেওঁৰ আপীল ন্যায়াধিকৰণৰ আগত গোচৰ নিবেদন কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে,

১৯৪৯ ৰ ৩৮ (ক) ''চনদী গাণনিক'' মানে এজন চনদী গাণনিক যিদৰে চনদী গাণনিক অধিনিয়ম, ১৯৪৯ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (খ)ত পৰিভাষিত কৰা হৈছে আৰু যিজনে সেই অধিনিয়মৰ ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত এখন ব্যৱসায়িক প্ৰমানপত্ৰ লাভ কৰিছে ;

১৯৮০ ৰ ৫৬ (খ) ''কোম্পানীৰ সচিব'' মানে এজন কোম্পানী সচিব যিদৰে কোম্পানী সচিব অধিনিয়ম, ১৯৮০ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (গ) ত পৰিভাষিত কৰা হৈছে আৰু যিজন সেই অধিনিয়মৰ ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত ব্যৱসায়ৰ এখন প্ৰমানপত্ৰ লাভ কৰিছে ;

১৯৫৯ৰ ২৩ (গ) ''ব্যয় গাণনিক'' মানে এজন ব্যয় গাণনিক যিদৰে ব্যয় আৰু কৰ্ম গাণনিক অধিনিয়ম, ১৯৫৯ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (খ)ত পৰিভাষিত কৰা হৈছে আৰু যিজন সেই অধিনিয়মৰ ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত ব্যৱসায়ৰ প্ৰমানপত্ৰ লাভ কৰিছে ;

(ঘ) ''বিধিক ব্যৱসায়ী'' মানে এজন অধিবক্তা, উকীল বা কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়বদী আৰু ব্যৱসায়ত থকা এজন উকিলক অন্তৰ্ভুক্ত কৰে।

১৯০৮ৰ ৫

উচ্চতম ন্যায়ালয়ৰ ওচৰত আপীল।

১৮। (১) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা অন্য কোনো বিধিত কোনো কথা থকা স্বত্বেও আপীল ন্যায়াধিকৰণৰ অৰ্ন্তবৰ্ত্তী আদেশ নোহোৱা কোনো আদেশৰ বিৰুদ্ধে সেই সংহিতাৰ ধাৰা ১০০ত বিনিৰ্দ্দিষ্ট এক বা অধিক কাৰণত উচ্চতম ন্যায়ালয়ৰ ওচৰত আপীল চলিব।

(২) পক্ষসমূহৰ সন্মতিসহ আপীল ন্যায়াধিকৰণৰ দ্বাৰা কোনো বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে আপীল নচলিব।

(৩) এই ধাৰাৰ অধীনৰ প্ৰত্যেক আপীল, আপীলযোগ্য বিনিশ্চয় বা আদেশৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত গ্ৰহণ কৰা হব ঃ

পৰন্তু উচ্চতম ন্যায়ালয়ে উক্ত নব্বৈ দিন কালৰ অৱসানৰ পিছত আপীল গ্ৰহণ কৰিব পাৰিব যদি উচ্চতম ন্যায়ালয় সন্তুষ্ট হয় যে আপীলকাৰীয়ে সময়ত আপীল কৰাৰ পৰা পৰ্য্যাপ্ত কাৰণত বাধা প্ৰাপ্ত হৈছিল।

আপীল ন্যায়ালয়ৰ দ্বাৰা পাৰিত কৰা আদেশ ডিক্ৰী হিচাবে নিষ্পাদনযোগ্য হব লাগিব।

১৯। (১) এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণত পাৰিত কৰা কোনো আদেশ চিভিল ন্যায়ালয়ৰ ডিক্ৰী হিচাবে আপীল ন্যায়াধিকৰণৰ দ্বাৰা নিষ্পাদন যোগ্য হব আৰু এই প্ৰয়োজনাৰ্থে আপীল ন্যায়াধিকৰণৰ এখন চিভিল ন্যায়ালয়ত থকা সকলোবিলাক ক্ষমতা থাকিব।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও, আপীল ন্যায়াধিকৰণে কৰা কোনো আদেশ, স্থানীয় অধিকাৰিতা থকা কোনো চিভিল ন্যায়ালয়লৈ প্ৰেৰণ কৰিব পাৰিব আৰু এনে চিভিল ন্যায়ালয়ে আদেশটো নিষ্পাদন কৰিব যেনিবা আদেশটো সেই ন্যায়ালয়ে কৰা এটা ডিক্ৰীহে আছিল।

আপীল ন্যায়াধিকৰণৰ আদেশ পালন কৰাত ইচ্ছাকৃত ভাবে অসফল হোৱাৰ বাবে অৰ্থদণ্ড।

২০। যদি কোনো ব্যক্তিয়ে আপীল ন্যায়াধিকৰণৰ আদেশ পালন কৰাত ইচ্ছাকৃত ভাবে অসফল হয়, তেওঁ এক লাখ টকালৈ বৃদ্ধি হব পৰা জৰিমনা সহ আৰু দ্বিতীয় আৰু পৰৱৰ্ত্তী অপৰাধৰ বাবে দুইলাখ টকালৈ বৃদ্ধি হব পৰা জৰিমনা সহ আৰু চলি থকা উলঙ্ঘনৰ বাবে এনে ব্যতিক্ৰম চলিথকা সময়ৰ প্ৰত্যেক দিনৰ বাবে দুই লাখ টকাৰ অতিৰিক্ত জৰিমনাসহ দণ্ডনীয় হব।]

# অধ্যায় - V
## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

**কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান।**

২১। কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা কৰা সম্যক অনুপাতৰ পিছত প্ৰাধিকাৰৰ অধ্যক্ষ আৰু সদস্য সকলক আদায় দিব লগা দৰ্মহা আৰু ভাত্তাৰ কাৰণে আৰু প্ৰাধিকাৰৰ পদাধিকাৰী আৰু অন্যান্য কৰ্মচাৰী সকলক দৰ্মহা, ভাত্তা আৰু দিব লগা পেনচনকে অন্তৰ্ভুক্ত কৰি প্ৰশাসনিক ব্যয়ৰ বাবে আৱশ্যক হব পৰা এনে ৰাশিৰ ধন অনুদান হিচাবে প্ৰদান কৰিব পাৰে।

**পুঁজি।**

২২। (১) ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ সাধাৰণ পুৰ্জি নামেৰে এটা পুঁজি গঠন কৰা হব আৰু তাত নিম্নলিখিতসমূহ জমা ৰখা হব ---

(ক) এই অধিনিয়মৰ অধীনত প্ৰাধিকাৰে প্ৰাপ্ত কৰা সকলোবিলাক অনুদান, মাচুল আৰু প্ৰভাৰ ; আৰু

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে অন্য উৎসৰ পৰা প্ৰাধিকাৰে প্ৰাপ্ত কৰা ৰাশিৰ ধন।

(২) পুঁজিটো নিম্নলিখিত খৰছ সমূহ বহন কৰাৰ বাবে প্ৰয়োগ কৰা হব।

(ক) প্ৰাধিকাৰৰ অধ্যক্ষ আৰু সদস্যসকলক আদায় দিবলগা দৰ্মহা আৰু ভাত্তা আৰু প্ৰাধিকাৰৰ, পদাধিকাৰী আৰু অন্য কৰ্মচাৰীসকলক বা সকলৰ ক্ষেত্ৰত আদায় দিবলগীয়া দৰ্মহা, ভাত্তা আৰু পেনচনকে অন্তৰ্ভুক্ত কৰি হোৱা প্ৰশাসনিক ব্যয়ৰ বাবে ; আৰু

(খ) এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত কৰা হোৱা উদ্দেশ্যে আৰু প্ৰয়োজনসমূহৰ ব্যয়।

**হিচাপ আৰু হিচাপ পৰীক্ষা।**

২৩। (১) প্ৰাধিকাৰে সমুচিত হিচাপ আৰু অনান্য সুসঙ্গত অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ লগত পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে প্ৰপত্ৰত হিচাপৰ বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব।

(২) প্ৰাধিকাৰৰ হিচাপসমূহ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে কালৰ ব্যৱধানত পৰীক্ষা কৰা হব আৰু হিচাপ পৰীক্ষকৰ সম্পৰ্কত হোৱা যিকোনো খৰছ প্ৰাধিকাৰৰ দ্বাৰা ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক দেয় হব।

[1][**স্পষ্টীকৰণ** - সন্দেহ দূৰীকৰণৰ বাবে ইয়াৰ দ্বাৰা এইটো ঘোষণা কৰা হৈছে যে ধাৰা ১১ আৰু ধাৰা ১৩ৰ উপধাৰা (১) আৰু উপধাৰা (২)ৰ খণ্ড (খ) ৰ অধীনৰ আপীল ন্যায়াধিকৰণলৈ আপীলযোগ্য বিষয়সমূহৰ কৃত্যবোৰ নিৰ্বহন কৰাত প্ৰাধিকাৰৰ দ্বাৰা কৰা হোৱা বিনিশ্চয়, এই ধাৰাৰ অধীনত হিচাপ পৰীক্ষাৰ অধীন নহব।]

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু প্ৰাধিকাৰৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত অন্য যি কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাত একে অধিকাৰ আৰু বিশেষাধিকাৰ থাকিব যিটো চৰকাৰী হিচাপ পৰীক্ষাৰ সম্পৰ্কত প্ৰাধিকাৰীৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ থাকে আৰু বিশেষতঃ বহী, হিচাপ সম্পৰ্কিত ভাউচাৰ আৰু অন্যান্য দস্তাৱেজ আৰু কাগজ পত্ৰ পেচ কৰণৰ বাবে দাবী কৰিবলৈ আৰু প্ৰাধিকাৰৰ যিকোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা বা তেওঁৰ দ্বাৰা এই মৰ্মে নিযুক্ত হোৱা অন্য কোনো ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰা প্ৰাধিকাৰৰ হিচাপসমূহ, তাৰ ওপৰত থকা হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ সৈতে একেলগে প্ৰতি বছৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হব আৰু চৰকাৰে সদনৰ উভয় পক্ষৰ সমক্ষত উথাপিত কৰিব।

**প্ৰবিৱৰণ আদি কেন্দ্ৰীয় চৰকাৰক দিয়া।**

২৪। প্ৰাধিকাৰে, কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে বা নিৰ্দ্দেশ কৰিব পৰা দৰে এনে সময়ত আৰু এনে প্ৰপত্ৰ আৰু ৰীতিত কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে অপেক্ষা কৰা ধৰণেৰে দূৰ সংযোগ সেৱাৰ উন্নয়ন আৰু বৃদ্ধিৰ বাবে কৰা কোনো প্ৰস্তাৱিত বা বিদ্যমান আৰ্চঁনিৰ সম্বন্ধৰ এনে প্ৰবিৱৰণ আৰু বিবৃতি কেন্দ্ৰীয় চৰকাৰক দিব।

(২) প্ৰাধিকাৰে, বিহিত এনে প্ৰ-পত্ৰত আৰু এনে সময়ত পূৰ্ববৰ্ত্তী বৰ্ষৰ কামকাজৰ সংক্ষিপ্ত বৰ্ণনা কৰি প্ৰত্যেক বছৰত এবাৰকৈ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু সেই প্ৰতিবেদনৰ প্ৰতিলিপিসমূহ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হব।

(৩) উপধাৰা (২)ৰ অধীনত প্ৰাপ্ত কৰা প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰাপ্ত কৰা পিছত যিমান শীঘ্ৰেই প্ৰত্যেক সদনৰ আগত উথাপন কৰা হব।

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ ধাৰা ১২ৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায় - VI

### বিবিধ

**নিৰ্দ্দেশ জাৰি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা।**

২৫। (১) কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাষ্ট্ৰৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰ সমূহৰ লগত বন্ধুত্ববোধ, লোক শৃঙ্খলা, শালীনতাৰ নৈতিকতাৰ স্বাৰ্থত আৱশ্যক বুলি ভবা দৰে এনে নিৰ্দ্দেশাৱলী সময়ে সময়ে প্ৰাধিকাৰক জাৰি কৰিব পাৰে।

(২) পূৰ্ববৰ্ত্তী উপবন্ধাৱলীৰ প্ৰতিকূলে প্ৰভাৱ নেপেলোৱাকৈ প্ৰাধিকাৰে ইয়াৰ ক্ষমতা প্ৰয়োগত বা কৃত্যাৱলীৰ সম্পন্ন কৰাত কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে লিখিত ভাৱে দিব পৰা নীতিৰ প্ৰশ্নৰ এনে নিৰ্দেশাৱলীৰ দ্বাৰা আৱদ্ধ থাকিব ঃ

পৰন্তু প্ৰাধিকাৰক যিমানদূৰ সাধ্য এই উপধাৰাৰ অধীনত কোনো নিৰ্দ্দেশ দিয়াৰ পূৰ্বে ইয়াৰ মত প্ৰকাশ কৰিবলৈ এটা সুযোগ দিয়া হব।

(৩) কেন্দ্ৰীয় চৰকাৰৰ বিনিশ্চয় নীতিৰ প্ৰশ্ন হওঁক বা নহওঁক, চূড়ান্ত হব।

**প্ৰাধিকাৰৰ সদস্য, পদাধিকাৰী আৰু কৰ্মচাৰী সকল লোকসেৱক হব।**

২৬। প্ৰাধিকাৰৰ সকলো সদস্য, পদাধিকাৰী আৰু অন্যান্য কৰ্মচাৰীক কাৰ্য্য কৰি থাকোতে এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসাৰে কাৰ্য্য কৰা বুলি তাৎপৰ্য্যিত হলে, ভাৰতৰ দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য কৰা হব। ১৮৬০ৰ ৪৫

**অধিকাৰিতাৰ বাৰণ।**

২৭। কোনো চিভিল ন্যায়ালয়ৰ, কোনো বিষয়ৰ ক্ষেত্ৰত অধিকাৰিতা নাথাকিব যিটো এই অধিনিয়মৰ দ্বাৰা বা অধীনত নিৰ্দ্ধাৰণ কৰিবলৈ প্ৰাধিকাৰক ক্ষমতাযুক্ত কৰা হৈছে।

**সদ্‌ভাৱ পূৰ্বক গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থা সুৰক্ষা।**

২৮। কেন্দ্ৰীয় চৰকাৰে, বা প্ৰাধিকাৰ বা কেন্দ্ৰীয় চৰকাৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰৰ কোনো সদস্য, পদাধিকাৰী বা অন্য কৰ্মচাৰীৰ বিৰুদ্ধে কোনো কথাৰ বাবে যিটো এই অধিনিয়মৰ অধীনত বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা নিয়মাৱলীৰ অধীনত সদভাৱপূৰ্বক কৰা হৈছে বা কৰা বুলি অভিপ্ৰেত হয়, কোনো বাদ, গোচৰ বা আন বিধিক কাৰ্য্যবাহ নচলিব।

**প্ৰাধিকাৰৰ নিৰ্দ্দেশনাৱলীৰ উলঙ্ঘনৰ বাবে অৰ্থদণ্ড।**

২৯। যদি কোনো ব্যক্তিয়ে প্ৰাধিকাৰৰ নিৰ্দ্দেশাৱলী উলঙ্ঘা কৰে, এনে ব্যক্তি এক লাখ টকালৈ বৃদ্ধি হব পৰা জৰিমনা সহ বা দ্বিতীয় বা পৰৱৰ্ত্তী অপৰাধৰ বাবে দুইলাখ টকালৈ বৃদ্ধি হব পৰা জৰিমনা সহ আৰু চলি থকা উলঙ্ঘনৰ বাবে, ব্যতিক্ৰম চলি থকা প্ৰত্যেক দিনৰ বাবে দুই লাখ টকালৈ বৃদ্ধি হব পৰা অতিৰিক্ত জৰিমনাসহ দণ্ডনীয় হব।

**কোম্পানীৰ দ্বাৰা কৰা অপৰাধ সমূহ।**

৩০। (১) য'ত এই অধিনিয়মৰ অধীনত কোনো কোম্পানীৰ দ্বাৰা কোনো অপৰাধ সংঘটিত কৰা হয়, অপৰাধ সংঘটিত হোৱাৰ সময়ত কোম্পানীৰ দায়িত্বত থকা আৰু কোম্পানীটোৰ ব্যৱসায় আৰু কোম্পানীটোৰ পৰিচালনা কৰা দায়বদ্ধতাত থকা প্ৰত্যেক ব্যক্তি আৰু কোম্পানীটোও সেই অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু বিৰুদ্ধ কাৰ্য্যবাহৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ঃ

পৰন্তু এই উপধাৰাত অৰ্ন্তবিষ্ট থকা কোনো কথাই এনে কোনো ব্যক্তিক এই অধিনিয়মত উপবন্ধিত কৰা কোনো দণ্ডৰ বাবে দায়ী নকৰিব যদি তেওঁ প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ অজ্ঞাতে সংঘটিত কৰা হৈছিল বা তেওঁ তেনে অপৰাধ সংঘটনত বাধা দিবলৈ তেওঁ সকলো ধৰণৰ সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও য'ত এই অধিনিয়মৰ অধীনত কোনো কোম্পানীৰ দ্বাৰা অপৰাধ সংঘটিত কৰা হৈছে, আৰু এইটো প্ৰমাণিত হৈছে যে কোম্পানীটোৰ সঞ্চালক, পৰিচালক, সচিব বা অন্য পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত হৈছে বা কোনো সঞ্চালক, পৰিচালক, সচিব বা কোম্পানীৰ অন্য পদাধিকাৰী ক্ষেত্ৰত কৰা উপেক্ষাৰ কাৰণে সংঘটিত হৈছে, এনে সঞ্চালক, পৰিচালক, সচিব বা অন্য পদাধিকাৰীকো অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু তেওঁলোক বিৰুদ্ধ কাৰ্য্যবাহৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, -

(ক) ''কোম্পানী'' মানে যিকোনো নিগমিত নিকায় আৰু ই কোনো ফাৰ্ম বা ব্যক্তিৰ সংঘক অন্তৰ্ভুক্ত কৰে ; আৰু

(খ) ফাৰ্মৰ সম্বন্ধত ''সঞ্চালক'' মানে ফাৰ্মৰ এজন অংশীদাৰ।

**চৰকাৰী বিভাগৰ দ্বাৰা কৰা অপৰাধ।**

৩১। (১) য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ চৰকাৰৰ কোনো বিভাগৰ দ্বাৰা সংঘটিত হৈছে, বিভাগৰ মুৰব্বী জনক অপৰাধটোৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু বিৰুদ্ধ কাৰ্য্যবাহৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব যদিহে তেওঁ প্ৰমাণ নকৰে যে তেওঁৰ অজ্ঞাতে অপৰাধটো সংঘটিত কৰা হৈছে আৰু তেওঁ তেনে অপৰাধ সংঘটনৰ বাধা দিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্ত্বেও য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ চৰকাৰৰ কোনো বিভাগৰ দ্বাৰা সংঘটিত কৰা হৈছে আৰু এইটো প্ৰমাণিত হৈছে যে বিভাগৰ মুৰব্বীজনৰ অন্যথা বিভাগৰ কোনো পদাধিকাৰীৰ সম্মতি সাপেক্ষে বা মৌন সম্মতিত বা পদাধিকাৰীৰ ক্ষেত্ৰত কৰা কোনো উপেক্ষাৰ কাৰণে সংঘটিত হৈছে। তেনে পদাধিকাৰীকো সেই অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু বিৰুদ্ধ কাৰ্য্যবাহৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হ'ব।

সম্পদ আৰু আয় কৰৰ পৰা ৰেহাই। ৩২। সম্পদ কৰ অধিনিয়ম, ১৯৫৭, আয়কৰ অধিনিয়ম, ১৯৬১ বা সম্পদকৰ, আয়কৰ, লাভ বা মুনাফাৰ সম্বন্ধত তৎসময় প্ৰবৃত্ত অন্য কোনো অধিনিয়মত কোনো কথাই অৰ্ন্তবিষ্ট থকা স্বত্ত্বেও প্ৰাধিকাৰে সম্পদ কৰ, আয়কৰ বা অন্য কোনো কৰ তেওঁলোকৰ সম্পদ, আয়, লাভ বা মুনাফাৰ পৰা হোৱা আয়ৰ বাবে অন্য কোনো কৰ আদায় দিবলৈ দায়ী নহব। ১৯৫৭ৰ ২৭ ১৯৬১ৰ ৪৩

ভাৰ অৰ্পণ। ৩৩। প্ৰাধিকাৰে, সাধাৰণ বা বিশেষ লিখিত আদেশৰ দ্বাৰা প্ৰাধিকাৰৰ কোনো সদস্য, পদাধিকাৰী বা কোনো অন্য ব্যক্তিক আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত্তাৱলী সাপেক্ষে যদি কিবা থাকে, আৱশ্যক বুলি গণ্য কৰা দৰে এই অধিনিয়মৰ অধীনত থকা প্ৰাধিকাৰৰ এনে ক্ষমতা বা কৃত্যবোৰ (ধাৰা ৩৬ৰ অধীনত বিনিয়ম প্ৰণয়ন কৰাৰ আৰু অধ্যায় IV ৰ অধীনৰ বিবাদ নিস্পত্তি কৰাৰ ক্ষমতা ব্যতিৰেকে) আৰোপ কৰিব পাৰে।

অপৰাধৰ সংজ্ঞান। ৩৪। কোনো ন্যায়ালয়ে এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়ম বা বিনিয়মাৱলীৰ প্ৰাধিকাৰৰ দ্বাৰা কৰা হোৱা আপত্তিৰ বাহিৰে, কোনো অপৰাধৰ সংজ্ঞান লব নোৱাৰিব।

(২) মুখ্য মেট্ৰ'পলিটান দণ্ডাধীশ বা প্ৰথম শ্ৰেণীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ ন্যায়ালয়তকৈ নিম্ন তৰ কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ বিচাৰ নকৰিব।

নিয়ম প্ৰণয়ণ কৰিবলৈ ক্ষমতা। ৩৫। (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উদ্দেশ্য সমূহ পালন কৰিবলৈ নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ প্ৰতিকূলে প্ৰভাৱ নপৰাকৈ নিম্নলিখিত সকলো বিলাক বিষয়ত বা তাৰ কোনো এটাৰ কাৰণে এনে নিয়মাৱলী উপবন্ধিত কৰিব পাৰে, যেনে ঃ-

(ক) ধাৰা ৫ৰ উপধাৰা (৫)ৰ অধীনত অধ্যক্ষ আৰু সদস্যসকলক আদায় দিব লগা দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলীৰ সম্পৰ্কত ;

[১][(কক) ধাৰা ৫ৰ উপধাৰা (৬ক)ৰ অধীনত অংশকালীন সদস্যক দিব লগা ভাত্তাবোৰ ;]

(খ) ধাৰা ৬ৰ উপধাৰা (১)ৰ অধীনত অধ্যক্ষৰ ক্ষমতা আৰু কৃত্যবোৰ ;

(গ) ধাৰা ৭ৰ উপধাৰা (২)ৰ অধীনত কৰা তদন্ত চলোৱা প্ৰক্ৰিয়া ;

[১][(গক) ধাৰা ১০ৰ উপধাৰা (২)ৰ অধীনত প্ৰাধিকাৰৰ পদাধিকাৰী আৰু অন্য কৰ্মচাৰী সকলৰ দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী ;]

(ঘ) ধাৰা ১২ৰ উপধাৰা (৩)ৰ অধীনত সংৰক্ষিত কৰা বুলি অপেক্ষিত হোৱা হিচাপৰ বহী বা অন্যান্য দস্তাৱেজৰ শ্ৰেণী ;

[১][(ঘক) ধাৰা ১৪ৰ উপধাৰা (৩)ৰ অধীনত প্ৰ-পত্ৰ, প্ৰ-পত্ৰ প্ৰমানিত কৰাৰ ৰীতি আৰু মাচুল ;

(ঘখ) ধাৰা ১৪ঙ ৰ অধীনত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু আন সদস্য সকলৰ দেয় দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্ত আৰু নিবন্ধন ;

(ঘগ) ধাৰা ১৪ জৰ উপধাৰা (৩)ৰ অধীনত আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰী সকলৰ দৰ্মহা আৰু ভাত্তা আৰু সেৱাৰ অন্যান্য চৰ্ত্তাৱলী ;

(ঘঘ) ধাৰা ১৬ৰ উপধাৰা (২) খণ্ড (i) ৰ অধীনত বিহিত কৰিবলৈ অপেক্ষিত চিভিল ন্যায়ালয়ৰ আন কোনো ক্ষমতা ;]

(ঙ) ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত কৰিব লগা আবেদন কৰাৰ সময়ছোৱা যিটো সময়ৰ ভিতৰত আবেদন কৰিব লাগে ;

(চ) ৰীতি যি ৰীতিত ধাৰা ২৩ৰ উপধাৰা (১)ৰ অধীনত প্ৰাধিকাৰৰ হিচাপবোৰ সংৰক্ষিত কৰা হব ;

(ছ) সময় যি সময়ত আৰু প্ৰ-পত্ৰ আৰু ৰীতি যিবোৰত ধাৰা ২৪ৰ উপধাৰা (১) আৰু (২)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰবিৱৰণ আৰু প্ৰতিবেদন দিয়া হব ;

(জ) অন্য কোনো বিষয় যিটো বিহিত হব বা হব পাৰে বা যিটোৰ ক্ষেত্ৰত নিয়মৰ দ্বাৰা উপবন্ধ কৰা হয়।

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০ৰ ধাৰা ১৩ৰ দ্বাৰা অন্তঃ স্থাপিত কৰা হৈছে।

বিনিয়মাৱলী প্রনয়ণ কৰিবলৈ ক্ষমতা।

৩৬। (১) প্ৰাধিকাৰে অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যাৱলী পালনৰ অৰ্থে এই অধিনিয়মৰ আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ লগত সুসঙ্গত বিনিয়মাৱলীৰ প্ৰনয়ণ কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ নিম্নলিখিত সকলোবিলাক বা তাৰ কোনো এটা বিষয়ৰ কাৰণে এনে বিনিয়মাৱলী উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) প্ৰাধিকাৰৰ সভাসমূহৰ সময় আৰু স্থান ব্যৱসায়ৰ লেনদেনৰ কাৰণে আৱশ্যক হোৱা মূল অন্তৰ্ভুক্ত কৰি ধাৰা ৮ৰ উপধাৰা (১)ৰ অধীনৰ এনে সভাসমূহত অনুসৰণ কৰিব লগা প্ৰক্ৰিয়া ;

(খ) ধাৰা ৮ৰ উপধাৰা (৪)ৰ অধীনৰ প্ৰাধিকাৰৰ সভাসমূহত ব্যৱসায়ৰ লেনদেন ;

[১][(গ) x x x x] ;

(ঘ) ধাৰা ১১ৰ উপধাৰা (১)ৰ [২][খণ্ড (খ)ৰ উপখণ্ড (vii) ৰ অধীনত ] যিবিলাক বিষয়ৰ সম্পৰ্কে প্ৰাধিকাৰৰ দ্বাৰা পঞ্জী সংৰক্ষিত কৰা হয় ;

(ঙ) মাচুলৰ উদ্‌গ্ৰহণ আৰু এনে অপেক্ষাকৰণসমূহ কথিত কৰা যিবিলাকৰ পৰিপূৰণত তাৰ পঞ্জীৰ এটা প্ৰতিলিপি ধাৰা ১১ৰ উপধাৰা (১)ৰ [২][খণ্ড (খ)ৰ উপ-খণ্ড (viii) ৰ অধীনত লাভ কৰিব পাৰিব ;

(চ) ধাৰা ১১ৰ উপধাৰা (১)ৰ [২][খণ্ড (গ)ৰ অধীনত] মাচুল আৰু আন প্ৰভাৰৰ উদ্‌গ্ৰহণ কৰা ;

নিয়ম আৰু বিনিয়মাৱলী সমূহ সংসদৰ সমক্ষত উপস্থাপন কৰিব।

৩৭। এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম আৰু প্ৰত্যেক বিনিয়ম প্ৰণীত কৰাৰ পিছত লগে লগেই সম্পূৰ্ণ ত্ৰিশ দিনৰ এটা কালৰ বাবে যিটো এটা বৈঠক বা দুই বা অধিক ক্ৰমৱৰ্ত্তী অধিবেশনলৈ সমাবিষ্ট হব পাৰে, সংসদ চলি থকাৰ সময়ত সংসদৰ দুই সদনৰ সমক্ষত উপস্থাপন কৰিব আৰু যদি অধিবেশন উপৰোক্ত বৈঠক বা সমৱৰ্ত্তী অধিবেশনৰ অন্ত হোৱাৰ ঠিক পিচত উভয় সদন নিয়ম আৰু বিনিয়মত কোনো পৰিৱৰ্ত্তন কৰিবলৈ সম্মত হয় বা উভয় সদন সম্মত হয় যে নিয়ম বা বিনিয়ম প্ৰনয়ণ কৰিব নালাগে, নিয়ম বা বিনিয়ম তাৰ পিছত কেৱল তেনে পৰিৱৰ্ত্তন ৰূপত যথাস্থিতি প্ৰভাৱশীল হব বা প্ৰভাৱহীন হব, কিন্তু তথাপি তেনে কোনো পৰিৱৰ্ত্তন বা ৰদ্‌কৰণ সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্বতে কৰা কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

কিছুমান বিধিৰ প্ৰয়োগ। ১৮৮৫ৰ ১৩ ১৯৩৩ৰ ১৭

৩৮। এই অধিনিয়মৰ উপবন্ধাৱলী, ভাৰতীয় টেলিগ্ৰাফ অধিনিয়ম, ১৮৮৫ আৰু ভাৰতীয় ওৱাৰলেচ টেলিগ্ৰাফী অধিনিয়ম, ১৯৩৩ৰ উপবন্ধাৱলীৰ অতিৰিক্ত হব, আৰু বিশেষতঃ এই অধিনিয়মৰ কোনো কথাই টেলিগ্ৰাফ প্ৰাধিকাৰে সেই প্ৰাধিকাৰৰ অধিকাৰিতাৰ ভিতৰৰ পৰা কোনো এলেকাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব লগা বা সম্পাদন কৰাৰ বাবে অপেক্ষিত কোনো অধিকাৰিতা, ক্ষমতা বা কৃত্যাৱলীত প্ৰভাৱ নেপেলায় ।

জটিলতা দূৰীকৰণৰ ক্ষমতা।

৩৯। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰভাৱশীল কৰাত কোনো জটিলতা উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত ঘোষিত আদেশৰ দ্বাৰা, জটিলতা দূৰীকৰণৰ বাবে আৱশ্যক বুলি প্ৰতীত হোৱা এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে অসঙ্গত নোহোৱা এনে উপবন্ধাৱলী কৰিব পাৰে ঃ

পৰন্তু, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুবছৰ কাল অৱসান হোৱাৰ পিছত এই ধাৰাৰ অধীনত কোনো আদেশ কৰা নহব ।

(২) এই ধাৰাৰ অধীনত কৰা প্ৰত্যেকটো আদেশ, আদেশ কৰাৰ পিছত যিমান শীঘ্ৰে পাৰি সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হব ।

১৯৯৭ৰ অধ্যাদেশ ১১ৰ নিৰসন আৰু ব্যাবৃতি।

৪০। (১) ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ ১৯৯৭ৰ অধ্যাদেশ ইয়াৰ দ্বাৰা নিৰসিত কৰা হৈছে।

(২) এনে নিৰসন স্বত্বেও, উক্ত অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো ব্যৱস্থা এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত কৰা হোৱা কাৰ্য্য বা লোৱা হোৱা ব্যৱস্থা বুলি গণ্য কৰা হব ।

২০০০ৰ অধ্যাদেশ ২।

[৩][(১) ভাৰতৰ দূৰসংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধ্যাদেশ, ২০০০ ইয়াৰ দ্বাৰা নিৰসিত কৰা হ'ল । নিৰসন আৰু ব্যাবৃতি।

(২) এনে নিৰসন স্বত্বেও উক্ত অধ্যাদেশৰ দ্বাৰা সংশোধিত কৰা দৰে মূল অধিনিয়মৰ অধীনত কৰা বা লোৱা বা লোৱা কোনো কাৰ্য্যক, এই অধিনিয়মৰ দ্বাৰা সংশোধিত কৰা দৰে মূল অধিনিয়মৰ তদনুৰূপ উপবন্ধৰ অধীনত কৰা বা লোৱা ব্যৱস্থা বুলি গণ্য কৰা হব ।]

---

১। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন) অধিনিয়ম, ২০০০,ৰ ধাৰা ১৪ৰ দ্বাৰা লোপকৰা হৈছে।

২। একে অধিনিয়মৰ ধাৰা ১৪ৰ দ্বাৰা প্ৰতি স্থাপিত কৰা হৈছে।

৩। ভাৰতৰ দূৰ সংযোগ বিনিয়ামক প্ৰাধিকাৰ (সংশোধন)অধ্যাদেশ, ২০০০ ৰ ধাৰা ১৫ৰ দ্বাৰা নিৰসিত হৈছে।